**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

যোৰহাট জিলাৰ ফকলা পথাৰ গাঁৱত ‘আমাৰ গাঁও, আমাৰ গৌৰৱ’ আঁচনিৰ অধীনত এখন সামূহিক ফলৰ বাগিচা উদ্বোধন কৰা হয়। বাগিচাখনত থলুৱা বিভিন্ন জাতৰ পুলি ৰোপণ কৰা হয়। গাঁওবাসীৰ উপস্থিতিত বাগিচাখন উদ্বোধন কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহ পঞ্জীয়ক ড° ৰমেন কুমাৰ শৰ্মাই। ভাষণ প্ৰসংগত উদ্বোধক শৰ্মাই কয় যে থলুৱা ফলৰ বাগিচাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ পৰিচৰ্যাৰ ওপৰত যথেষ্ট গুৰুত্ব আছে। অনুষ্ঠানটোৰ আঁত ধৰে সহকাৰী অধ্যাপক তথা আঁচনি গোটৰ সদস্য ৰিতুৰাজ বৰুৱাই।

০০০০০০০

যশস্বী কণ্ঠশিল্পী জয়ন্ত হাজৰিকাৰ আজি ৮১ সংখ্যক ওপজা দিন। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি কেইবাটাও অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সুৰ বাহিনীৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত দৰদী কণ্ঠশিল্পীগৰাকীৰ ওপজা দিনৰ লগত সংগতি ৰাখি মোৰ মন চাতকৰ কণ্ঠ শীৰ্ষক যন্ত্ৰ সংগীতৰ মুৰ্চ্ছনাৰে এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠান আজি সন্ধিয়া ৬ বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। পুৱা ১০ বজাত চানমাৰিস্থিত জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত স্মৃতিতৰ্পন অনুষ্ঠান অনুষ্ঠিত হ'ব। দুয়োটা অনুষ্ঠানতে সুৰ বাহিনীৰ হৈ মনীষা হাজৰিকাই সকলোৰে উপস্থিতি কামনা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যশস্বী শিল্পী জয়ন্ত হাজৰিকাৰ জন্মবাৰ্ষিকীত শিল্পীগৰাকীলৈ অসমবাসীৰ হৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে।

০০০০০০

মাজুলীৰ লুহিত খাবলু পঞ্চায়তৰ অন্তৰ্গত লুহিত খাবলু উচ্চ মাধ্যমিক বিদ্যালয়ত কালি মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। সজাগতা সভাখনত ছাত্ৰ-ছাত্ৰীসকলক বাল্য বিবাহৰ বিৰুদ্ধে প্ৰচাৰ আৰু ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ, দিব্যাংগ, শিশুৰ বাবে আইনী সেৱা আঁচনি, ২০২১ - এই দুয়োটা বিষয়ৰ লগতে শিশুৰ যৌন নিৰ্যাতন সুৰক্ষা আইন ২০১২ সম্পৰ্কেও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমল ব্যক্তিয়ে ব্যাখ্যা কৰে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ বিভিন্ন আঁচনিসমূহৰ লাভালাভ জিলা আইন সেৱা প্ৰাধিকৰণৰ যোগেদি কেনেকৈ লাভ কৰিব পাৰি, এই সম্পৰ্কেও সভাত আলোচনা কৰা হয়। সজাগতা সভাখনত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০

মৰিগাওঁ জিলা সাহিত্য সভাৰ লগতে মৰিগাওঁ শতদল শাখা আৰু বাচনাঘাট শতদল শাখাই অসমত ৰাজ্যভাষা আইন ১৯৬০ প্ৰয়োগৰ দাবীত জিলা আয়ুক্তৰ জৰিয়তে কালি মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। অসম সাহিত্য

সভাৰ আহ্বানমৰ্মে মৰিগাও জিলা সাহিত্য সভাৰ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্মাৰকপত্ৰ গ্ৰহণ কৰি জিলাখনৰ আয়ুক্তই জিলাখনৰ চৰকাৰী কাৰ্যালয়সমূহত ৰাজ্যভাষা অসমীয়া ব্যৱহাৰৰ ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

০০০০০০০০

কেন্দ্ৰীয় ড'নাৰ ৰাজ্যমন্ত্ৰী ডঃ সুকান্ত মজুমদাৰে আজি এদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীলৈ আহিব। তেওঁ গুৱাহাটীত হ'বলগীয়া কেইবাটাও অনুষ্ঠানত অংশ ল'ব। পুৱা ১০ বজাত তেওঁ চাংসাৰিস্থিত নাইপাৰত চেণ্ট্ৰেল এনিমেল ফেচিলিটী আৰু ইনভাইট্ৰো ড্ৰাগ টেষ্টিং ফেচিলিটী মুকলি কৰিব। বিয়লি চাৰে তিনি বজাত মন্ত্ৰীগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব্ৰহ্মপুত্ৰ অধ্যয়ন কেন্দ্ৰৰ এটা ভৱন মুকলি কৰিব।

০০০০০০

**সমাপ্ত**